অধ্যায় ৮ ঃ সাম্প্রতিক অসমীয়া সংস্কৃতি — ১

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 সাম্প্রতিক অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ

8.3.1 জন্মৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ

8.3.2 মৃত্যুৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ

8.3.3 বিবাহৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ

8.3.4 বিভিন্ন দিশত হোৱা পৰিৱৰ্তনসমূহ

8.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.5 অধিক জানিবলৈ

8.6 অগ্রগতিৰ খতিয়ান

8.7 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া লোকাচাৰৰ কেইটামান দিশত হোৱা পৰিৱৰ্তনৰ বিষয়ে জানিব
- জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় অসমীয়া লোকাচাৰৰ পৰিৱৰ্তন হৈ কি নতুন ৰূপত গঢ় লৈ উঠিছে, সেই বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- সাম্প্রতিক সময়ৰ অসমীয়া সংস্কৃতিৰ খোৱা-লোৱা, থকা-মেলা, সাজ-পাৰৰ ক্ষেত্রত কেনেকুৱা পৰিৱৰ্তন আহিছে সেই বিষয়ে অৱগত হ'ব।

৮.২ পৰিচয়

এইটো "বিবিধ ৰচনা, শিশু সাহিত্য আৰু কল্প-বিজ্ঞান, পৰিৱৰ্তিত ৰূপত অসমীয়া সংস্কৃতি, কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা" শীৰ্ষক পাঠ্যবিষয়ৰ অষ্টম অধ্যায়। খণ্ড পৰিচয়তে আমি উল্লেখ কৰিছোঁ যে এইটো খণ্ডত 'পৰিৱৰ্তিত ৰূপত অসমীয়া সংস্কৃতি' আৰু 'কম্পিউটাৰত অসমীয়া ভাষা' সম্পৰ্কে আলোচনা কৰা হ'ব। ইয়াৰে 'পৰিৱৰ্তিত ৰূপত অসমীয়া সংস্কৃতি' শাখাটোত পাঁচটা অধ্যায় আছে। এইটো তাৰে প্রথম অধ্যায়। ইয়াত অসমীয়া সংস্কৃতিৰ ক্ষেত্রখনত দেখা পোৱা কেইটামান পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰা হ'ব।

আমি জানোঁ যে পৰিৱৰ্তিত সময়ৰ লগত খাপখোৱাকৈ সংস্কৃতিৰ পৰিৱৰ্তন সাধন হয়। সময়ৰ চাপ সকলো ক্ষেত্রতে পৰে। অসমীয়া সংস্কৃতিও তাৰ উৰ্ধ্বত নহয়। অসমীয়া সংস্কৃতিৰ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মানুহৰ জীৱনত আটাইতকৈ প্রয়োজনীয় বস্তু কি?

.....

প্রশ্ন নং ২ ঃ সমাজ এখনৰ মূল উপাদান দুটা কি কি?

.....

৮.৩.১ জন্মৰ লোকাচাৰলৈ অহা পৰিৱর্তনসমূহ

আন আন দিশত হোৱা পৰিৱর্তনৰ দৰে অসমীয়া শিশুৰ জন্ম সম্পর্কে থকা লোকাচাৰতো পৰিৱর্তন সাধন হৈছে। তলত সেই বিষয়ে কিছু কথাৰ আলোচনা কৰা হ'ব। আমি জানোঁ গর্ভৱতী মাতৃৰ খোৱা-বোৱা, চলন-ফুৰণ, থকা-মেলা, আচাৰ-আচৰণ ইত্যাদিৰ প্রতি সমাজে কিছুমান নির্দেশনা দিয়ে। কিছুমান বিষয়ত বাধা দিয়া হয় আৰু আনহাতে কিছুমান কাম কৰিবলৈ উৎসাহ দিয়া হয়। এনেধৰণৰ ৰীতি-নীতি অসমীয়া সমাজত আগতেও আছিল আৰু বর্তমানলৈ চলি আছে। সলনি হৈছে কেৱল প্রতিটো বিষয়ৰ লগত জড়িত থকা কিছুমান উপাদানৰহে। উদাহৰণস্বৰূপে খোৱা-বোৱাৰ কথাকে ক'ব পাৰি—

- মাতৃ আৰু গর্ভস্থ সন্তানৰ মঙ্গলৰ বাবে পুষ্টিকৰ খাদ্যৰ প্রয়োজন। আগৰ দিনত পুষ্টিকৰ খাদ্য হিচাপে শাক-পাচলি, ফল-মূল, মাছ-মাংস, গাখীৰ আদিকে প্রধান খাদ্য হিচাপে ধৰা হৈছিল। কিন্তু আজি-কালি পুষ্টিকৰ খাদ্য বুলিলে কাৰখানাত তৈয়াৰ কৰা বিভিন্ন ধৰণৰ খাদ্য গর্ভৱতী তিৰোতাই খাবলৈ লৈছে। ডাক্তৰসকলেও তেনেধৰণৰ খাদ্য খাবলৈ গর্ভৱতী তিৰোতাসকলক পৰামর্শ দিয়ে। যেনে— হৰলিক্স (Horlicks), ক'মপ্লান (Complan), বর্ণভিটা (Bournvita) আৰু বিভিন্ন প্রটিনযুক্ত ঔষধ।
- আগৰ দিনত গর্ভৱতী তিৰোতাই ঘৰতেই সন্তান জন্ম দিছিল। কোনোধৰণৰ জটিলতাৰ সম্ভাৱনা থাকিলে গর্ভৱতী তিৰোতাগৰাকীক হস্পিতাললৈ নিয়া হৈছিল। প্রসৱৰ বাবে ঘৰতেই বেলেগকৈ কোঠা এটা ঠিক কৰি থোৱা হৈছিল। অভিজ্ঞ বয়সস্থ সম্বন্ধীয়া বা পৰিচিতা তিৰোতাই সন্তান জন্ম দিয়াত সহায় কৰিছিল। কিন্তু, সময়ৰ পৰিৱর্তনৰ লগে লগে সকলো সলনি হ'ল। হস্পিতাল, নার্চিংহ'মৰ সংখ্যা সকলোফালে বাঢ়িব ধৰিলে। সকলো গর্ভৱতী তিৰোতাকে হস্পিতাললৈ নিয়া হ'ল। আজি-কালি গাঁৱৰ তিৰোতায়ো হস্পিতালতহে সন্তান জন্ম দিয়ে।
- অসমীয়া সমাজত জন্ম-অশৌচ পালন কৰা প্রথা অতীতৰে পৰা চলি আহিছে। আগৰ দিনত অশৌচীয়া ঘৰত ৰন্ধা বস্তু অইন মানুহে গ্রহণ কৰা নাছিল। এতিয়া তেনে নিয়ম নোহোৱা হৈ আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আগৰ দিনত পুষ্টিকৰ খাদ্য হিচাপে গর্ভৱতী তিৰোতাসকলে কেনেধৰণৰ খাদ্য গ্রহণ কৰিছিল?

.....



চিন্তা-চর্চা কৰক — ৮.১

আপুনি বাস কৰা অঞ্চলত জন্মৰ সৈতে থকা লোকাচাৰসমূহৰ ক্ষেত্রত কেনে ধৰণৰ পৰিৱর্তন সাধন হৈছে সেই বিষয়ে এটি টোকা লিখিবলৈ যত্ন কৰক।

৮.৩.২ মৃত্যুৰ লোকাচাৰলৈ অহা পৰিৱর্তনসমূহ

অসমীয়া মানুহৰ মৃত্যুৰ সৈতে থকা লোকাচাৰসমূহৰ ক্ষেত্রটো পৰিৱর্তন সাধন হৈছে। তলত সেয়া আলোচনা কৰা হ'ল। আমি জানোঁ যে শাস্ত্রীয় বিধি-বিধান অনুসৰি মৃতকৰ অন্তোষ্টি ক্রিয়া কৰা বিষয়ত ব্রাহ্মণ্য নিয়ম পৰিত্যাগ কৰি শংকৰী পন্থী হোৱা পৰিয়ালবোৰৰ কথা সুকীয়া। এই সংক্রান্তত দেখা দিয়া কেইটামান দিশ, বিশেষকৈ ইয়াৰ লগত সম্পর্কীত লোকাচাৰত কেনেধৰণৰ পৰিৱর্তন সাধন হৈছে সেই বিষয়ে তলত উল্লেখ কৰা হ'ব।

- কোনো এজন ব্যক্তিৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে এজন-দুজনকৈ মৃতকৰ ঘৰত মানুহ গোট খায়। কিন্তু পিতৃ বংশৰ লোকে যাতে খবৰটো আগতেই পায়, তাৰ প্রতি বিশেষ লক্ষ্য ৰখা হয়। কাৰণ তেনে লোকে অশৌচ পালন কৰিব লাগে।
- সময়ৰ পৰিৱর্তনৰ লগে লগে মৃতকৰ সৎকাৰৰ ক্ষেত্রতো প্রভাৱ পৰা দেখা যায়। বাঁহৰ সাঙীত শৱদেহ লৈ সাঙীখন চাৰিজন ব্যক্তিয়ে কান্ধত লৈ শ্মশান যাত্রা কৰিছিল। কিন্তু আজিকালি শৱদেহ কান্ধত লৈ কঢ়িওৱা খুৱ কমেই দেখা যায়। আজিকালি মৃতদেহ কঢ়িয়াবলৈ বাহন পোৱা যায়। গতিকে তেনে বাহনৰ জৰিয়তে মৃতদেহ শ্মশানলৈ লৈ যোৱা হয়। আগতে মহিলা শ্মশানলৈ যোৱা নাছিল। আজিকালি কেতিয়াবা মহিলাও শ্মশানলৈ যোৱা দেখা যায়।
- অসমীয়া সমাজত মৃতকৰ পুত্র বা যিজনে মৃতকৰ মুখাগ্নি কৰে, তেওঁ কিছুমান নীতি-নিয়ম মানি চলিব লাগে। তেওঁ এখন বস্ত্র পৰিধান কৰিব লাগে। বস্ত্রৰ এটা ফাল ধুতিৰ দৰে ব্যৱহাৰ কৰি আনটো মূৰেৰে শৰীৰৰ ওপৰভাগ ঢাকি লয়। সময় যোৱাৰ লগে লগে আজিকালি দুখন বস্ত্র ব্যৱহাৰ কৰা আৰম্ভ হ'ল। এখন পিন্ধে আৰু আনখন গাত লয়। সময়ৰ লগে লগে সেই নিয়মো সলনি হৈছে। আজিকালি ক্রিয়াধাৰীয়ে বস্ত্র গাত লোৱাৰ উপৰি গেঞ্জী আদিও পৰিধান কৰে।

৮.৩.৩ বিবাহৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ

এখন সমাজ মূলতঃ দুটা উপাদানেৰে গঠিত হৈছে বুলি ধৰিব পাৰি— এটা সামাজিক গোট আৰু আনটো সামাজিক সংস্থাপন। এই কথা ইতিমধ্যেও কৈ অহা হৈছে। বিবাহ আৰু পৰিয়াল পৃথিৱীৰ সকলো সমাজত আছে। সাম্প্রতিক সময়ত অসমীয়া বিবাহ উৎসৱৰ লগত সম্পৰ্কীত বিবিধ লোকচাৰৰ পৰিৱৰ্তন সাধন হৈছে। এই ক্ষেত্রত এটা কথা বিশেষভাৱে উল্লেখনীয়, সময়ে সময়ে অসমৰ নানা ঠাইৰ পৰা নতুন নতুন ছোৱালী বিয়া হৈ ইমূৰৰ পৰা সিমূৰলৈ বোৱাৰী হৈ আহিছে। সংস্কৃতি সংৰক্ষণৰ ক্ষেত্রত মহিলাৰ ভূমিকা অতি তাৎপর্যপূর্ণ। ফলস্বৰূপে সমাজত সাংস্কৃতিক উপাদানৰ বৈচিত্র্য বঢ়াটো স্বাভাৱিক। তলত অসমীয়া বিবাহ সম্পৰ্কীয় লোকাচাৰৰ ক্ষেত্রত দেখা পোৱা কেইটামান পৰিৱৰ্তন উদাহৰণ হিচাপে উল্লেখ কৰা হ'ল।

- বিবাহ কর্ম সম্পাদনৰ প্রথম পর্যায় হ'ল দ'ৰা-কইনা ঠিক কৰা। পূর্বৰ নিয়ম মতে দৰা-কইনাৰ ৰাহি-যোৰা মিলাৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছিল। দৰা-কইনা পছন্দ হ'লেও ৰাহি-যোৰা নাহিলে বিয়াৰ কথা আৰু আগবঢ়োৱা নাছিল। কিন্তু এতিয়া বহুতেই ৰাহি-যোৰা চোৱাৰ ওপৰত গুৰুত্ব প্রদান নকৰে। আজিকালি ল'ৰা বা ছোৱালীয়ে নিজৰ পছন্দ অনুসৰি জীৱনসঙ্গী ঠিক কৰি লয়। এইবোৰ ক্ষেত্রত ৰাহি-যোৰা চোৱা বা অভিভাৱকৰ অনুমতিৰ প্রয়োজন নাথাকে।
- আগৰ দিনত বিবাহৰ ক্ষেত্রত ছোৱালীৰ মতামতৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল। অভিভাৱকে পছন্দ কৰা ল'ৰাক ছোৱালীয়ে স্বামীৰূপে গ্রহণ কৰিছিল। এজনী ছোৱালী অষ্টম-নৱম শ্রেণীত পঢ়াৰ পৰা অভিভাৱকে দৰাৰ সন্ধান কৰিছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ছোৱালীৰ বিয়াৰ বয়স বাঢ়ি আহিল। উপযুক্ত শিক্ষা গ্রহণ নকৰাকৈ ছোৱালী বিয়াত বহিব ইচ্ছা নকৰা হ'ল। পিতৃ-মাতৃয়েও ছোৱালীক সু-শিক্ষিতা কৰি ছোৱালীৰ মতামত লৈহে বিয়া দিয়া হ'ল।
- বিবাহলৈ নিমন্ত্রণ জনোৱাৰ ক্ষেত্রটো বিশেষ পৰিৱৰ্তন আহিল। আগৰ দিনত ডেকা ল'ৰা এজনে চাইকেল লৈ মোনা এখনত তামোল-পাণ, এখন শৰাই আৰু নিমন্ত্রণী পত্র লৈ নিমন্ত্রণ জনাইছিল। শৰাইত তামোল-পাণ দি শৰাইখন ঢাকনীৰে ঢাকি লগত এখন চিঠি দি ঘৰে ঘৰে গৈ নিমন্ত্রণ কৰিছিল। কিন্তু বর্তমান তামোল-পান দি নিমন্ত্রণ কৰা প্রথা নোহোৱা হ'ল। আজিকালি দুই-তিনিমাহমান আগৰ পৰাই গাড়ী লৈ মাক-দেউতাক বা পৰিয়ালৰ আন সদস্যই সকলোৰে ঘৰে ঘৰে গৈ বিয়াৰ নিমন্ত্রণ দিয়ে।
- বিয়াৰ কেইদিনমানৰ আগৰপৰা ৰভা সজা কাম আৰম্ভ হয়। আগৰ দিনত ৰভা দুখন সজা হৈছিল। এখন বাহিৰত পুৰুষৰ বাবে আৰু আনখন মহিলাৰ বাবে ভিতৰ ফালে। মাহিলাৰ বাবে বহিবলৈ মাটিত ত্রিপাল, দলিচা আদি পাৰি দিয়া হৈছিল।

নিমন্ত্রণ কৰা হৈছিল। কিন্তু আজিকালি আঠমঙলা আগৰদৰে পালন কৰা নহয়। আজিকালি আঠমঙলাত বহুতকে নিমন্ত্রণ কৰি ডাঙৰকৈ ভোজ-ভাতৰ যোগাৰ কৰা হয়।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে অসমীয়া সমাজত পূৰ্বতে বিবাহৰ সৈতে থকা লোকাচাৰসমূহবোৰ পৰিৱৰ্তন সাধন হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ আগৰ দিনৰ আৰু সাম্প্রতিক সময়ৰ মৎস্য স্পর্শ বা জ্ঞাতালি ভোজ অনুষ্ঠিত কৰা পৰাম্পৰাটোত কি পৰিৱৰ্তন সাধন হৈছে?

.....

প্রশ্ন নং ৫ ঃ ঢুলীয়াৰ দল বা বেণ্ড-পার্টি আজি-কালি বিবাহ অনুষ্ঠানত দেখিবলৈ পোৱা যায়নে?

.....



চিন্তা-চর্চা কৰক — ৮.২

আপুনি বাস কৰা অঞ্চলত বিবাহ আৰু মৃত্যুৰ সৈতে থকা লোকাচাৰৰসমূহৰ ক্ষেত্রত কেনে ধৰণৰ পৰিৱৰ্তন সাধন হৈছে সেই বিষয়ে এটি টোকা লিখিবলৈ যত্ন কৰক।

৮.৩.৪ বিভিন্ন দিশত হোৱা পৰিৱৰ্তনসমূহ

ইয়াৰ আগৰ উপ-শাখা কেইটাত আমি সাম্প্রতিক সময়ৰ অসমীয়া সমাজৰ জন্ম-মৃত্যু আৰু বিবাহৰ লগত সম্পৰ্কীত লোকচাৰসমূহৰ ক্ষেত্রত কেনেদৰে পৰিৱৰ্তন সাধন হৈছে সেই বিষয়ে কিছু কথাৰ আলোচনা কৰিলোঁ। এতিয়া আমি অসমীয়া সমাজৰ আন আন ক্ষেত্রত চকুত পৰা কেইটামান পৰিৱৰ্তনৰ কথা আলোচনা কৰিম। মন কৰিব যে অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলেহে আমাৰ এনে পৰম্পৰাসমূহলৈ অহা বিবিধ পৰিৱৰ্তন সমূহ দেখা যায়। তাতে বৰ্তমানৰ নগৰীয়া জীৱনত পুৰণি ৰীতি-নীতি, পৰম্পৰা মানি চলাটো সম্ভৱপৰ নহয়। সেয়ে সময়-সুযোগ বুজি সকলোৱে জীৱনলৈ পুৰণি পৰম্পৰাসমূহৰ ডাঙৰ পৰিৱৰ্তন অহাও দেখা যায়।

অসমীয়া সমাজৰ পৰম্পৰাগত খাদ্য-বন্ধন প্রণালী আছিল — টেঙা, তিতা আৰু খাৰ। খোৱা-বোৱাৰ লগত বিবিধ ধর্মীয় বাধা-নিষেধ, লোকবিশ্বাস আদিও জড়িত হৈ আছে। পৰিৱৰ্তিত সময়ত সেই ক্ষেত্রটো বহুল পৰিৱৰ্তন সাধন হৈছে। আগতে হিন্দু

মানুহে দুবেলা ৰন্ধা-বঢ়া কৰিছিল। কিন্তু আজি কালি ফ্রীজৰ প্রচলন হোৱাত ৰন্ধা বস্তু সংৰক্ষণ কৰি দুই-তিনিসাজ খাব পৰা হ'ল। ইয়াৰ দ্বাৰা মানুহৰ শাৰীৰিক শ্রম কমি আহিল। কম সময়তে খোৱা-বোৱাৰ ব্যৱস্থা কৰিব পৰা হ'ল। গৃহিণী-বোৱাৰীয়ে খোৱা-বোৱাৰ বাবে দিনটোৰ অধিক সময় ব্যয় কৰিব নোখোজে। খাদ্যাভাসৰ ক্ষেত্রত পিজ্জা, বর্গাৰ, কেএফচিৰ খাদ্য আদিয়ে পাকঘৰত ঠাই পালে। অৱশ্যে, এনেবোৰ পৰিৱর্তনৰ কাৰণ বিশ্লেষণ কৰিলে অর্থনৈতিক আৰু ব্যৱহাৰিক দিশটোৱে প্রধান বুলি ধৰিব লাগিব।

আদিম মানৱে সভ্যতাৰ পথত আগবঢ়াৰ লগে লগে প্রয়োজন অনুসৰি বিভিন্ন বস্ত্র ব্যৱহাৰ কৰিব ধৰিলে। ভৌগোলিক পৰিৱেশ, জলবায়ু আদিৰ প্রকাৰ ভেদে বস্ত্র পৰিধানৰ বৈচিত্র্য চকুত পৰে। ইয়াৰ লগত মানুহৰ মানসিকতা, শিষ্টাচাৰ, অভিজ্ঞতা, সাংস্কৃতিক পটভূমি আদি নানা কাৰণ জড়িত হৈ থাকে। সাম্প্রতিক সময়ত অসমীয়া সাজ-পাৰৰ ক্ষেত্রটো পৰিৱর্তন সাধন হৈছে।

অসমীয়া মহিলাৰ প্রধান বস্ত্র আছিল মেখেলা-চাদৰ আৰু ৰিহা। ৰিহাৰ প্রচলন এতিয়া প্রায় নোহোৱাৰ দৰে হ'ল। অৱশ্যে পুৰণি চামৰ মহিলাসকলৰ মাজত ৰিহাৰ প্রচলন এতিয়াও আছে। মূৰত ওৰণি লৈ থকাটো অসমীয়া বিবাহিতা নাৰীৰ প্রতীক। আগৰ দিনত অসমীয়া বিবাহিতা নাৰীয়ে শাহু-শহুৰ, বৰজনা, গুৰুজনাক দেখিলে ওৰণিখন টালি লৈছিল, যাতে তেখেতসকলে মুখখন দেখা নাপায়, বর্তমান ওৰণিৰ প্রচলন একেবাৰে নোহোৱাৰ দৰে হৈছে।

শিৰৰ সেন্দুৰ অসমীয়া বিবাহিতা নাৰীৰ পৰিচয়। ছোৱালীৰ জোৰোণৰ দিনা দৰা পক্ষৰ তিৰোতাই কইনাক শিৰত প্রথম সেন্দুৰ দিয়ে। তেতিয়াৰ পৰা স্বামী জীৱিত থকালৈকে বিবাহিত নাৰীয়ে সেন্দুৰ ব্যৱহাৰ কৰিব লাগে। পিছে, এতিয়া অতি সূক্ষ্ম দৃষ্টিৰে লক্ষ্য কৰিলেহে অসমীয়া বিবাহিতা নাৰীয়ে শিৰত সেন্দুৰ লোৱা দেখা যায়। আগতে বিবাহিতা নাৰীয়ে কপালত সেন্দুৰৰ ফোঁট লৈছিল। সময়ৰ লগে লগে সেন্দুৰৰ ফোঁটৰ প্রচলন প্রায় কমি আহিল। তাৰ ঠাইত ৰং-বিৰঙৰ নানা ধৰণৰ ফোঁট বিবাহিতা মহিলাই ল'বলৈ আৰম্ভ কৰিলে। এটা সময়ত অসমীয়া মহিলাই মেখেলা-চাদৰ পৰিধান কৰিছিল। আজিকালি প্রায়ভাগ বিবাহিতা নাৰীয়ে মেখেলা-চাদৰৰ সলনি চেলোৱাৰ কুর্তা, জিন্চ-পেণ্ট, টপ আদি পৰিধান কৰে।

পুৰুষৰ পোছাকৰ ক্ষেত্রটো পৰম্পৰাগত অসমীয়া পোছাকৰ অস্তিত্ব দেখা নাযায়। আগৰ দিনত পুৰুষসকলে ধুতি-কামিজ পৰিধান কৰিছিল। বিয়া-সবাহে গ'লে গাত এখন চেলেং চাদৰ লৈছিল। সময় যোৱাৰ লগে লগে ধুতি আদিৰ প্রচলন প্রায় নোহোৱা হৈ আহিল। বর্তমান সময়ত পুৰুষসকলে পেণ্ট-চার্ট পৰিধান কৰা দেখা যায়। ঠাণ্ডাৰ দিনত পুৰুষসকলে কোট্-পেণ্ট, চুৱেটাৰ আদি পিন্ধে, পুৰুষসকলে পোছাকৰ লগত জোতা আদি ঠাণ্ডাৰ দিনত পিন্ধে। আগৰ দিনত কিন্তু পুৰুষসকলে জোতা আদি পিন্ধা নাছিল। কিছুমানে চেণ্ডেল আদিৰ ব্যৱহাৰ কৰিছিল।

ভিতৰতে থকা মেলা, ৰন্ধা-বঢ়া, খোৱা-বোৱা, গোঁসাইৰ থাপনা, বাথৰুম আদি সকলো একেলগে থাকে, এনেদৰে থকা-মেলাৰ দিশটো আমাৰ জীৱনলৈ এটা ডাঙৰ পৰিৱৰ্তন আহি পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ বৰ্তমান সময়ত অসমীয়া খাদ্যাভাসৰ ক্ষেত্ৰত কেনেধৰণৰ পৰিৱৰ্তন হৈছে চমুকৈ লিখক। (৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক — ৮.৩

আপুনি বাস কৰা অঞ্চলৰ ঘৰ-সজা আৰু খোৱা-বোৱাৰ ক্ষেত্ৰত কেনে ধৰণৰ পৰিৱৰ্তন সাধন হৈছে সেই বিষয়ে এটি প্ৰবন্ধ লিখিবলৈ যত্ন কৰক।



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃতি পৰিৱৰ্তনশীল। তেনে দৰে সমাজৰ ৰীতি-নীতি, পৰম্পৰা আদিবোৰ সময়ে সময়ে পৰিৱৰ্তন হৈ থাকে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা সকলো সমাজৰে সময়ে-সময়ে পৰিৱৰ্তন হৈ আছে। ঠিক তেনেদৰে আমাৰ অসমীয়া সমাজখনতো সময়ৰ সোঁতত নতুন নতুন বিবিধ সাংস্কৃতিক উপাদানৰ প্ৰৱেশ ঘটিছে আৰু তাৰে কিছুমান আমাৰ সমাজে আদৰি লৈছে। বহুতো পৰিৱৰ্তন আকৌ নিজে নিজেও হৈ যায়। অসমীয়া সমাজৰ জন্ম-মৃত্যু-বিবাহৰ লোকাচাৰৰ পৰিৱৰ্তনৰ বিষয়ে অধ্যায়টিত কিছু কথা আলোচনা কৰা হ'ল। ইয়াৰ জৰিয়তে আপোনাক এই সম্পৰ্কে সচেতন হৈ আৰু অধিক জানিবলৈ উৎসাহিত কৰিব বিচৰা হৈছে।
- জন্ম-মৃত্যু-বিবাহৰ বাহিৰেও অসমীয়া সংস্কৃতিৰ প্ৰায় সকলোবোৰ দিশতে পৰিৱৰ্তন সাধন হৈছে। এই অধ্যায়টিত তাৰে কেইটামান বিশেষ দিশ মূলতঃ খাদ্যাভাস, থকা-মেলা আৰু সাজ-পাৰৰ বিষয়ে আলোচনা কৰা হৈছে। এনে আৰু বহু দিশ আছে যদিও এটা অধ্যায়ত সকলো দিশ সামৰাটো সহজ নহয় বাবে এই 3 টা দিশহে পাঠ্যবিষয়ত সন্নিৱিষ্ট কৰা হৈছে।



৮.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অতি চমু উত্তৰ লিখক —

(ক) আজিকালি শিশুৰ 'নজৰ' বা 'মুখ লগা' ভাঙেনে?

(খ) আগতে অসমীয়া মহিলা শ্মশানলৈ গৈছিলনে?

(গ) অসমীয়া সমাজৰ পৰম্পৰাগত খাদ্য-ৰন্ধন প্ৰণালী কি কি আছিল?

(ঘ) বৰ্তমান সময়ত অসমীয়া নাৰীয়ে তিনি বস্ত্ৰ ধাৰণ কৰে নে নকৰে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৰ্তমান সময়ত অসমীয়া সমাজত বিবাহৰ ক্ষেত্ৰত অহা পাঁচটা পৰিৱৰ্তনৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) সাম্প্ৰতিক সময়ৰ অসমীয়া পুৰুষৰ পোচাক

(খ) সাম্প্ৰতিক সময়ৰ অসমীয়া মানুহৰ ঘৰ-দুৱাৰ

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাম্প্ৰতিক অসমীয়া সমাজৰ ঘৰ-সজা পৰম্পৰালৈ অহা পৰিৱৰ্তনসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সাম্প্ৰতিক অসমীয়া সমাজৰ জন্মৰ লোকাচাৰলৈ অহা বিভিন্ন ধৰণৰ পৰিৱৰ্তনসমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ৩ ঃ বৰ্তমান সময়ত অসমীয়া সংস্কৃতিৰ মৃত্যুৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনৰ লগত আগৰ দিনৰ মৃত্যুৰ লোকাচাৰৰ এটি তুলনামূলক আলোচনা কৰক।

*** ***** ***